# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-AUG-2026
**Time :** 1715 PM

***Assamese Evening Bulletin***
**Headlines**
**------------------**

ooooo

১। একবিংশ শতিকাত ভাৰতত এটা আধুনিক ক্ৰীড়া পৰিস্থিতিতন্ত্ৰ গঢ়ি তুলিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।

২। নেপালৰ বানত আবদ্ধ ভাৰতীয় লোকসকলক উদ্ধাৰৰ বাবে ভাৰতৰ প্ৰচেষ্টা তীব্ৰতৰ।

৩। বিটিচিৰ উপাধ্যক্ষ বিজিৎ গৌড়া নাৰ্জাৰীৰ মৃত্যুত দলীয় সতীৰ্থৰ শোকপ্ৰকাশ।

*আৰু*

৪। কাছাৰত আছাম ৰাইফলছৰ অভিযানত বিপুল পৰিমাণৰ য়াবা টেবলেট জব্দ।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একবিংশ শতিকাত ভাৰতত এটা আধুনিক ক্ৰীড়া পৰিস্থিতিতন্ত্ৰ গঢ়ি তুলিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পৰা আধুনিক প্ৰশিক্ষণ কেন্দ্ৰলৈ সমগ্ৰ দেশতে এটা ক্ৰীড়া পৰিস্থিতি তন্ত্ৰ বিকশাই তোলা হ'ব, য'ত প্ৰতিটো পৰ্যায়তে ক্ৰীড়া প্ৰতিভাসমূহে প্ৰয়োজনীয় সহায়-সামৰ্থ্য লাভ কৰিব। খেল' ইণ্ডিয়া সংবাদ কাৰ্যসূচীত ভিডিঅ' কনফাৰেন্সিং মাধ্যমেৰে অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে আজি এইদৰে উল্লেখ কৰে। তেওঁ কয় যে ক্ৰীড়া কেৱল পদক বিজয়তে সীমাৱদ্ধ নহয়, বৰং ক্ৰীড়া হৈছে দেশক উন্নয়নৰ পথত আগুৱাই নিবলৈ ভাৰতৰ যুৱ শক্তিক একত্ৰিত কৰা এটা বিশেষ মাধ্যম। চৰকাৰে এই ক্ষেত্ৰত সকলোধৰণৰ সহায়-সাহায্য আগবঢ়াব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

বাইট (পি এম)

দেশৰ অন্যান্য ঠাইৰ লগতে অসমতো আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে খেলো ইণ্ডিয়া সংবাদ কাৰ্যসূচী অনুষ্ঠিত হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত বিকশিত ভাৰত যুৱ সংযোগ - ক্ৰীড়া সংস্কৰণ শীৰ্ষক কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। অনুষ্ঠানত শ্ৰীসোণোৱালে শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে বৰ্তমান সময়ত ক্ৰীড়া উন্নত বৃত্তিও যে হ'ব পাৰে সেই বিষয়ে উল্লেখ কৰে।

বাইট (সোণোৱাল)

অনুষ্ঠানত অংশ লৈ ভাৰতৰ ফুটবল তাৰকা বাইচুং ভূটিয়াই ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে।

মাই ভাৰত কেন্দ্ৰ নগাঁও আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ যৌথ উদ্যোগত নগাঁও জিলাৰ ননৈ মহাবিদ্যালয়ত আয়োজিত খেলো ইণ্ডিয়া কাৰ্যসূচীত পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শ্ৰীভূমি জিলাৰ পাথাৰকান্দি মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত কৰিমগঞ্জৰ সাংসদ কৃপানাথ মাল্লাই অংশ লয়। সাংসদগৰকীয়ে কয় যে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণে যুৱ সমাজক ক্ৰীড়া, শাৰিৰীক সক্ষমতা আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে আগবাঢ়ি যাবলৈ উৎসাহিত কৰিব।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰী মহাবিদ্যালয়তো আজি এই কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত জিলাখনৰ বিভিন্ন পৰ্যায়ৰ খেলুৱৈসকলে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰধানমন্ত্ৰীৰ ভাষণ

মনোযোগেৰে শুনে। তেওঁলোকে খেল-ধেমালিৰ প্ৰতি অধিক আগ্ৰহী হোৱাৰ লগতে সুস্থ আৰু নিচামুক্ত সমাজ গঢ়াৰ বাবে প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয়।

০০০০০

নেপালত আকস্মিক বানত আবদ্ধ হৈ পৰা ভাৰতীয় লোকসকলক উদ্ধাৰৰ বাবে ভাৰতে প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিছে। নতুন দিল্লীত আজি এখন সংবাদ মেলত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে এই ভয়াবহ দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়ত নেপালত থকা ২৮৮জন ভাৰতীয় লোকৰ সৈতে এতিয়ালৈকে কোনো ধৰণৰ সংযোগ স্থাপন কৰিব পৰা হোৱা নাই। ইয়াৰে ৭৩জন ভাৰতীয় ত্ৰিশূলী-ওৱান শক্তি প্ৰকল্পত কৰ্মৰত আছিল। শ্ৰীজয়ছৱালে কয় যে কাঠমাণ্ডুত থকা ভাৰতীয় দূতাবাসে প্ৰকল্প কৰ্তৃপক্ষৰ সৈতে এই লোকসকলৰ তথ্য সংগ্ৰহৰ বাবে অহৰহ সংযোগত আছে। ইপিনে, কৈলাশ মান সৰোবৰ যাত্ৰাৰ বাবে দুটা পৃথক গোটত যোৱা তামিলনাডুৰ মুঠ ৮৬জন লোক, নেপালৰ ৰাছোৱা জিলাৰ টিমুৰেত থকা পশ্চিমবংগৰ ৩২জন লোক আৰু কেৰালাৰ ৩৩জন লোকৰ এতিয়ালৈকে কোনো সন্ধান পোৱা নাই বুলি শ্ৰীজয়ছৱালে জানিবলৈ দিয়ে। তেওঁ কয়, যে এতিয়াও আবদ্ধ হৈ থকা ভাৰতীয় লোকসকলৰ সৈতে সংযোগ স্থাপন তথা তেওঁলোকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে ভাৰতীয় কৰ্তৃপক্ষই নেপালী কৰ্তৃপক্ষৰ সৈতে সঘন যোগাযোগত আছে আৰু সম্ভৱপৰ সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে।

শ্ৰীজয়ছৱালে কয়, যে দেশখনত সম্প্ৰতি চলি থকা উদ্ধাৰ আৰু সাহায্য অভিযানত সহযোগিতাৰ বাবে ভাৰতে ৪৭ টনৰো অধিক তাৎক্ষণিক সাহায্য সামগ্ৰী প্ৰেৰণ কৰিছে। চৰকাৰে ২৪ ঘণ্টাই কাৰ্যক্ষম হোৱাকৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰিছে বুলিও মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি কাঠমাণ্ডু আৰু বেইজিঙত থকা ভাৰতীয় দূতাবাসে ২৪ ঘণ্টাই উপলব্ধ হোৱাকৈ হেল্পলাইন মুকলি কৰিছে বুলি শ্ৰীজয়ছৱালে জানিবলৈ দিয়ে।

০০০০০

বিটিচিৰ উপাধ্যক্ষ বিজিৎ গৌড়া নাৰ্জাৰীয়ে কালি সন্ধিয়া তামুলপুৰৰ কুমাৰীকাটাস্থিত নিজা বাসগৃহত আত্মহনন কৰে। আমাৰ তামুলপুৰৰ সংবাদদাতাই বিশেষ সূত্ৰৰ উদ্ধৃতি দি প্ৰকাশ কৰা মতে প্ৰয়াত নাৰ্জাৰী বিগত কিছুদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি আছিল। ঘটনাৰ পাছতে তামুলপুৰ আৰক্ষী দলে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। দৰঙাজুলি পৰিষদীয় সমষ্টিৰ পৰা চাৰিবাৰকৈ পৰিষদীয় চৰকাৰক প্ৰতিনিধিত্ব কৰা নাৰ্জাৰীৰ বিয়োগত বিটিআৰৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ জনসাধাৰণে শোক প্ৰকাশ কৰিছে। ২০১০ চনৰ উপ-নিৰ্বাচনত প্ৰথমবাৰৰ বাবে বিপিএফৰ হৈ নিৰ্বাচিত হোৱা নাৰ্জাৰীয়ে একেৰাহে তিনিবাৰ বিপিএফৰ প্ৰাৰ্থী হিচাপে জয়ী হৈছিল। ২০২৫ চনত বিটিচিৰ পৰিষদীয় নিৰ্বাচনত তেওঁ চতুৰ্থবাৰৰ বাবে বিজেপিৰ হৈ জয়লাভ কৰিছিল। বি টি চিৰ উপাধ্যক্ষগৰাকীৰ নশ্বৰ দেহত আজি তামুলপুৰ জিলা বিজেপিৰ কাৰ্য্যালয়ত দলীয় সতীৰ্থসকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই অনুষ্ঠানত সাংসদ দিলীপ শইকীয়া, বিধায়ক ভিক্টৰ কুমাৰ দাসৰ লগতে অসংখ্য গুণমুগ্ধ উপস্থিত থাকে। সাংসদ শইকীয়াই প্ৰয়াত নাৰ্জাৰীৰ বিয়োগে ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰখনত অপূৰণীয় ক্ষতি কৰা বুলি মন্তব্য কৰে।

০০০০০

কোকৰাঝাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ত আজি এটা ডিষ্ট্ৰিক্ট আৰ্লি ইণ্টাৰভেনচন চেণ্টাৰ উদ্বোধন কৰা হয়। শিশুৰ বিকাশজনিত আৰু অন্যান্য স্বাস্থ্য সম্পৰ্কীয় সমস্যাত আগতীয়া চিকিৎসা সেৱা সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰে এই কেন্দ্ৰটো মুকলি কৰা হৈছে। অনুষ্ঠানত উপস্থিত থাকি বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ স্বাস্থ্য বিভাগৰ কাৰ্য্যবাহী সদস্য দেড়হাচট বসুমতাৰীয়ে এইদৰে কয় -

-বাইট-

০০০০০

কাছাৰ জিলাৰ লক্ষীপুৰত আছাম ৰাইফলছে আন্তঃৰাজ্যিক নিচাযুক্ত দ্ৰব্য সৰবৰাহ চক্ৰৰ বিৰুদ্ধে অভিযান চলাই বিপুল পৰিমাণৰ য়াবা টেবলেট জব্দ কৰে। শিলচৰৰ ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ৰ সৈতে যৌথভাৱে

চলোৱা এই অভিযানত প্ৰায় ১৬৮ কোটি টকাৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰা হয়। আৰক্ষীয়ে এই ঘটনাৰ সৈতে এজন সন্দেহযুক্ত মাদক দ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। নিৰাপত্তা বাহিনীয়ে এই নিচাজাতীয় সামগ্ৰীসমূহ পৰিবহনৰ বাবে ব্যৱহাৰ কৰা এখন টাটা লৰীও জব্দ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে কালি মাজ নিশা লক্ষীপুৰৰ জুজাং পাহাৰ অঞ্চলত আছাম ৰাইফলছ্ আৰু ডি আৰ আইৰ যুটীয়া দল এটাই চলোৱা এই অভিযানত প্ৰায় ৬০ কিলোগ্ৰামৰ ওজনৰ ৫ লাখ ৬০ হাজাৰ য়াবা টেবলেট জব্দ কৰা হয়। চুবুৰীয়া মণিপুৰৰ পৰা এই বৃহৎ পৰিমাণৰ নিচাযুক্ত সামগ্ৰীখিনি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে অসমৰ বিভিন্ন অঞ্চলত সৰবৰাহৰ বাবে পৰিকল্পনা কৰা হৈছিল।

ooooo

সমাপ্ত